GOVT. OF ASSAM
Department of Health
# OFFICE OF THE ASSAM PHARMACY COUNCIL
Constituted as per Pharmacy Act, 1948, Govt. of India
Hengrabari Road, Dispur, Guwahati- 06.

ASSAM PHARMACY COUNCIL ESTD 1960
सेवाहि परम: धर्म:

# স্পষ্টীকৰণ

ইয়াৰ দ্বাৰা অসমৰ সমূহ ফাৰ্মাচিষ্টক নিম্নলিখিত কথাখিনি পঢ়ি বুজি লৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ, কাউঞ্চিল খনক সদুপদেশ দিবলৈ আহ্বান জনালোঁ।

আগন্তুক কাউঞ্চিলৰ নিৰ্ব্বাচনৰ পৰিপ্ৰেক্ষিতত কিছু গৰম বতাহ বলিবলৈ আৰম্ভ কৰিছে যেন অনুভৱ হৈছে। সেয়ে বিভিন্ন প্ৰত্যাশী বা তেওঁলোকৰ সমৰ্থক সকলৰ দ্বাৰা অসমৰ প্ৰায়বোৰ মাধ্যম (ফেচবুক, বাতৰি কাকত, পোৰ্টেল, ইত্যাদি) ব্যৱহাৰ কৰি অসম ফাৰ্মাচী কাউঞ্চিলৰ হকে-বিহকে বিভিন্ন মন্তব্য দিয়া দেখা গৈছে। কিন্তু এই আটাইবোৰ কথাৰ অন্তৰালত তেওঁলোকৰ একোটা নিজা (ব্যক্তিগত) অভিসন্ধি লুকাই আছে। নিজৰ সুবিধা অনুসৰি কাউঞ্চিলৰ পৰা কামবোৰ সমাধান কৰিব নোৱাৰি বক্ৰ পথ অৱলম্বন কৰা যেন অনুভৱ হৈছে। এখন বাতৰি কাকতত বৰ্ত্তমানৰ সভাপতি জনক উঠিৰজা বহিৰজা বুলি অভিহিত কৰি বাতৰি পৰিবেশন কৰিছে। মই আপোনালোকৰ জ্ঞাতাৰ্থে নিস্বাৰ্থ ভাৱে এটা কথা জনাওঁ যে এই সভাপতিজনৰ কাৰ্য্যকালত অসমৰ ফাৰ্মাচিষ্ট সকলে এটা নিজা "ফাৰ্মাচী ভৱন" পাইছে আৰু আন সুবিধা সমূহৰ কথা দেখা বোৰে বুজি পাইছে আগত কি আছিল বৰ্ত্তমান কি আছে। তেনেদৰে এজনে উৰ্দূ ইডুকেচন বোৰ্ডৰ কাহিনী বৰ্ণনা কৰি লাখ লাখ টকা খোৱা বুলি কৈছে। এই সম্পৰ্কে জনাওঁ যে উৰ্দূ ইডুকেচন বোৰ্ডৰ সমস্যাটো আজিৰ সমস্যা নহয়, প্ৰায় দুই-তিনি বছৰ পুৰণি। বহুত আইন-আদালত ঘূৰি ঘূৰি অসম ফাৰ্মাচী কাউঞ্চিলে সিদ্ধান্তলৈ এইটো বন্ধ কৰিছে। কিন্তু মহাশয়ে নিজৰ বয়সীয়ল ছাত্ৰ-ছাত্ৰীখিনিৰ পঞ্জীয়নৰ ব্যৱসায়টোত অসুবিধা হোৱা বুলি কবলৈ সাহস নোহোৱা বাৰে এইটো পথ লৈছে। এজন মহাশয়ে অসমত কিমান বয়সীয়াল ছাত্ৰ-ছাত্ৰী আছে কেতিয়া পঞ্জীয়ন হৈছে ইত্যাদি তথ্য জানিব বিচাৰিছিল। তেওঁক সম্পূৰ্ণ তথ্য জনোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যজনক ভাবে এই তথ্য সমূহৰ চিঠিখনৰ পঠোৱাৰ ১০ মিনিট পিচত ফেচবুকত নিজৰ নামটো মুচি কাউঞ্চিলৰ নামটো ৰাখি প্ৰকাশ কৰাৰ বাহিৰে কোনো উপযুক্ত ব্যৱস্থা লোৱা পৰিলক্ষিত আজিলৈকে হোৱা নাই। কিমান কম, কিমান শুনিব?

সেয়েহে আপোনালোকলৈ মই বিনম্ৰ অনুৰোধ জনাওঁ যে অসম ফাৰ্মাচী কাউঞ্চিলখন অসমৰ ফাৰ্মাচীষ্টৰ হে, কোনো সভাপতি, সদস্য বা পঞ্জীয়কৰ বাপতি সাহোন নহয় যে তেওঁলোকৰ নিজ খেয়াল খুচীমতে কাৰ্য্য সম্পাদন কৰিব! সম্পূৰ্ণ নিতী-নিৰ্ধাৰণ ভাৰতীয় ফাৰ্মাচী পৰিষদে কৰি থৈছে। সেইখিনি কাৰ্য্যকাৰী কৰাহে অসম ফাৰ্মাচী কাউঞ্চিলৰ কাম। সেয়েহে হকে-বিহকে বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে কাউঞ্চিল খনৰ বদনাম, অপপ্ৰচাৰ কৰি থকাতকৈ নিজে শুনা কথা/পঢ়া কথা /দেখা কথা বোৰৰ সত্যতা নিৰূপন কৰিবলৈ

কাউঞ্চিললৈ আহি তথ্য সহকাৰে জানি বুজি লবলৈ আহ্বান জনালোঁ। অন্যাথা উৰিষ্যা ফাৰ্মাচী কাউঞ্চিলখনৰ নিচিনাকৈ অসমৰ নিৰ্ব্বাচিত কাউঞ্চিলখন ভাঙি এখন চৰকাৰে পাতি দিয়া কাউঞ্চিল হ'লে কি অৱস্থা হয় সেই কথা মই নতুনকৈ দোহাৰিবৰ প্ৰয়োজন নাই।

বহুত শুভাকাংখীয়ে মোক ফোন যোগে প্ৰশ্ন কৰিছে, উপদেশ দিছে যে মই কেচ (মোকৰ্দ্দমা) কৰিব লাগে। কিন্তু মই এই ধৰণৰ কথাবোৰত লাগি কাউঞ্চিলখনৰ ধন অযথা খৰচ কৰিবব ইচ্ছা কৰা নাই। সাধুকথাত পঢ়িছিলো যে "খেদিলে শিয়াল পাবি কি? মাৰিলে শিয়াল খাবি কি।" সেয়েহে ময়ো অসমৰ সমূহ ফাৰ্মাচীষ্টৰ গাঠিৰ ধনেৰে জমা হোৱা কাউঞ্চিলৰ পুজি অনাহকত খৰচ কৰিব নুখুজি বাতৰি কাকতকে সহজ মাধ্যম হিচাপে ব্যৱহাৰ কৰিলোঁ।

সদৌ শেষত আপোনালোকৰ পৰা এই সম্পৰ্কে সুস্থ গঠনমূলক পৰামৰ্শ পাম বুলি আশা ৰাখিলোঁ।

**পঞ্জীয়ক ও সচিৱ**
**অসম ফাৰ্মাচী কাউন্সিল,**
**হেঙ্গেৰাবাৰী, গুৱাহাটী- ৩৬,**
**অসম**